# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ০৪ মেত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে হজৰত নবী কৰিম (ছাঃ) ৰ আবিৰ্ভাৱৰ সময়ত আৰবীয়ান সকলৰ পৰিৱেশ আৰু চৰিত্ৰ আৰু আধ্যাত্মিকতাৰ অৱস্থা এনে আছিল যে সকলোতে যুদ্ধ, সদপান, ধৰ্ষণ, লুণ্ঠন, আদি সকলো প্ৰকাৰৰ গোনাহ বিদ্ধমান আছিল। খোদা তায়লাৰ প্ৰতি আগ্ৰহ, আৰু সম্পৰ্ক আৰু পৱিত্ৰ চৰিত্ৰৰ অধিকাৰী কোনেও নাছিল। প্ৰত্যেকেই ফিৰাউন সাজি ঘুৰি ফুৰিছিল। কিন্তু আঁহজৰত (ছাঃ) ৰ আবিৰ্ভাৱৰ পিছত যেতিয়া সিহঁতে ইছলাম গ্ৰহন কৰিছিল তেতিয়া খোদা প্ৰেমত এনেকুৱা আসক্ত হৈছিল যে প্ৰত্যেকেই খোদা তায়লাৰ বাটত প্ৰাণ আহুতি দিবলৈ সাজু হৈ গৈছিল। তেওঁলোকে বয়াতৰ গুঢ়াৰ্থ নিজৰ আমলেৰে দেখুৱাই তাৰ আদৰ্শ স্থাপন কৰিছিল। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে আঁহজৰত (ছাঃ) ৰ চাহাবা সকলে যি আনুগত্যৰ দৃষ্টান্ত স্থাপন কৰি গৈছে তাৰ উদাহৰণ আগতে নাছিল বা আগলৈ পোৱা নাযায়। তেখেত (আঃ) য়ে কৈছে যে কিন্তু খোদা তায়লায় ইচ্ছা কৰিলে আকৌ এনেকুৱা কৰিব পাৰে। সেই দৃষ্টান্তমুলক আদৰ্শ লোকৰ বাবে কল্যাণময়। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে চাহাবা সকলৰ গৰিমা গাই আল্লাহ তায়লা কৈছে

مِنَ الْمُؤْمِنِيْنَ رِجَالٌ صَدَقُوْا مَا عَاهَدُوا اللّٰهَ عَلَيْهِ ۚ فَمِنْهُمْ مَّنْ قَضٰى نَحْبَهٗ وَمِنْهُمْ مَّنْ يَّنْتَظِرُ যে

মোমিন সকলৰ মাজত এনে পুৰুষ আছে, যি সকলে এই শপতপূৰ্ণ কৰিছে, ( যি শপত) তেওঁলোকে খোদা তায়লাৰ আগত লৈছিল, সেই মতেই তেওঁলোকৰ কিছুমানে নিজৰ প্ৰাণ উচ্চৰ্গা কৰিছে আৰু কিছুমানে প্ৰাণ আহুতি বখানিবলৈ কোৰাণ মজিদৰ পৰা আয়াত জমা কৰিলে তাতকৈ ডাঙৰ কোনো জীৱণাদৰ্শ হ'ব নোৱাৰে। গতিকে নেকি আৰু কোৰবাণীৰ এই দৃষ্টান্ত সমুহ আমাৰ বাবে এটা জীৱণাদৰ্শ। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মই চাহাবা সকলৰ অৱস্থা সম্পৰ্কে বৰ্ণনা কৰিবলৈ ওলাইছো ইয়াত বদৰৰ চাহাবা সকলৰ কথাও আছে। কিন্তু মই ভাৱিছো যে প্ৰথমে বদৰৰ যুদ্ধত অংশ লোৱা চাহাবা সকলৰ বিষয়ে উল্লেখ কৰিম কাৰণ তেওঁলোকৰ এটা বিশেষ মৰ্য্যদা আছে। এওঁলোক হ'ল সেই সকললোক যি সকলৰ ওপৰত আল্লাহ তায়লা সন্তুষ্ট হৈছে আৰু এওঁলোকেই আল্লাহৰ বিশেষ সন্তুষ্টি অৰ্জন কৰোঁতা লোক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই হজৰত হামজা বিন আব্দুল মোতালিব (ৰাঃ) ৰ বিষয়ে উল্লেখ কৰিম। এখেত ছৈয়েদুশ্বোহাদা উপাধিৰে জনাজাত আছিল। এনেদৰে তেখেতক আছাদুল্লাহ আৰু আছাদ ৰছুল উপাধিৰেও জনা গৈছিল। হজৰত হামজা কুৰাইছ সকলৰ চৰদাৰ (নেতা) হজৰত আব্দুল মোতালিবৰ পুত্ৰ আৰু ৰছুল (ছাঃ) ৰ খুৰায়েক আছিল। হজৰত হামজা (ৰাঃ) ৰ মাকৰ নাম আছিল হালাহ। তাই ৰছুল কৰিম (ছাঃ) ৰ মাক হজৰত আমিনাৰ খুৰাজাত ভনী আছিল। হজৰত হামাজা (ৰাঃ) ৰছুলে কৰিম (ছাঃ) তকৈ বয়সত দুবছৰ ডাঙৰ আকৌ এটা ৰোৱায়েত অনুযায়ী চাৰি বছৰৰ ডাঙৰ আছিল। হজৰত হামজা (ৰাঃ) হজৰত ৰছুল কৰিম (ছাঃ) ৰ দুধ পিয়া ভায়েকও আছিল। শ্বোযেবানামৰ লোণ্ডী এজনীয়ে এখেত দুজনকেই পিয়াহ খুৱাইছিল। হজৰত হামজা (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ নবুয়তৰ দাবীৰ ছয় বছৰ পিছত ইছলাম গ্ৰহন কৰাৰ তৌফিক লাভ কৰে। হজৰত হামজা (ৰাঃ) ৰ ইছলাম গ্ৰহনৰ ঘটনা হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে ঐতিহাসিক ঘটনা অনুযায়ী নিজৰ ভাষাত বৰ্ণনা কৰিছে। তাৰেই চমু বিৱৰণী মই উল্লেখ কৰিম। এদিন আঁহজৰত (ছাঃ) য়ে ছাফা আৰু মাৰোৱা পাহাৰৰ মাজত এটা পাথৰৰ ওপৰত বহি আছিল আৰু এয়া চিন্তা কৰি আছিল যে খোদা তায়লাৰ তৌহিদ কেনেকৈ প্ৰতিষ্ঠা কৰিব পৰা যায়, এনেতে আবু জাহিল তাত গৈ উপস্থিত হয়। তেওঁ আঁহজৰত (ছাঃ) ক গালি পাৰিবলৈ আৰম্ভ কৰে। আবু জাহিলে যিমান পাৰে গালি-শপনি দিয়ে আৰু আগুৱাই গৈ আঁহজৰত (ছাঃ) ৰ গালত চৰ সুধাই দিয়ে

তথাপি আঁহজৰত (ছাঃ) য়ে তেওঁক একো নকয়। সন্মুখতেই হজৰত হামজাৰ ঘৰ আছিল। দৈনিক ৰাতিপূৱা তেখেত (ৰাঃ) ৰ তীৰ, কামানলৈ চিকাৰলৈ যোৱাৰ অভ্যাস আছিল। যেতিয়া আবু জাহিলে এই ঘটনা কৰি আছিল তেতিয়া হজৰত হামজাৰ লোণ্ডী এজনীয়ে দৰ্জাৰ সন্মুখত থিয় দি চাই আছিল। কিন্তু একো কৰিব নোৱাৰিছিল, সেয়া দেখি হৃদয়ত বৰ দঃুখ অনুভৱ কৰিছিল। আবেলি হজৰত হামজা (ৰাঃ) যেতিয়া চিকাৰৰ পৰা ঘুৰি আহিছিল তেতিয়া সেই লোণ্ডী জনীয়ে কৈছিল যে তোমাৰ লাজ নালাগেনে ইমান যে পালোৱান হৈ ঘুৰি ফুৰা। তেতিয়া হজৰত হামজা (ৰাঃ) য়ে আচৰিত হৈ সুধিছিল যে কি ঘটনা ঘটিছে? লোণ্ডী জনীয়ে কৈছিল যে ঘটনা আৰু কি হ'ব। তোমাৰ ভাতিজা মহম্মদ (ছাঃ) ইয়াতে বহিছিল তেতিয়া আবু জাহিল আহি মহম্মদ (ছাঃ) ক গালি পাৰিবলৈ আৰম্ভ কৰে আৰু আগুৱাই গৈ চৰ সুধাই দিয়ে। কিন্তু মহম্মদ (ছাঃ) য়ে উঃ পৰ্যন্ত নকয় আৰু মনে-মনে শুনি থাকে। হজৰত হামজাহ (ৰাঃ) য়ে লোণ্ডীৰ পৰা উক্ত বিৱৰনী শুনি খঙত অগ্নিশৰ্মা হৈ তেতিয়াই বিশ্ৰাম লোৱা এৰি কাবা শ্বৰীফৰ ফালে যায়। প্ৰথমে কাবা তোৱাফ কৰে তাৰ পিছত বৈঠকৰ পিনে আগবাঢ়ি যায় য'ত আবু জাহিল বহি আনন্দেৰে উক্ত ঘটনাৰ গল্প মাৰি আছে। অহংকাৰত ওফন্দি উঠি গৰ্বৰ সৈতে কৈ আছে যে আজি মই মহম্মদ (ছাঃ) ক এনে এনে গালি দিছো, এনে আচৰণ কৰিছো। হজৰত হামজা (ৰাঃ) উক্ত বৈঠকত গৈ পোনে পোনেই আবু জাহিলৰ মূৰত লাঠিৰে আগাত কৰে আৰু কয় যে তুমি ইয়াতে বাহাদুৰী দেখুৱাই আছা আৰু লোকক কৈ আছা যে মই মহম্মদ (ছাঃ) ক এনেদৰে অপমান কৰিছো। এতিয়া মই তোক অপমান কৰি আছো যদি তোৰ ক্ষমতা আছে তেন্তে মোৰ আগত দেখুৱা। আবু জাহিল সেই সময়ত মক্কাত এজন ৰজাৰ দৰে মৰ্যদা ৰাখিছিল, নেতা আছিল। যেতিয়া তেওঁৰ লগৰীয়া সকলে এই ঘটনা প্ৰত্যক্ষ কৰে সিহঁতেও হজৰত হামজা (ৰাঃ) ক আক্ৰমন কৰিব বিচাৰে কিন্তু আবু জাহিলে সিহঁতক বাধা দিয়ে। আবু জাহিলে নবী (ছাঃ) ৰ নীৰৱতা আৰু হামজা (ৰাঃ) ৰ সাহস দেখি স্তম্ভিত হৈছিল আৰু দোৰী গৈ লগৰীয়া সকলক আক্ৰমন কৰাত বাধা দিয়ে আৰু কয় যে আচলতে মই অন্যায় কৰিছো আৰু হামজা (ৰাঃ) ন্যায় বিচাৰ কৰিছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে লিখিছে যে মহম্মদ (ছাঃ) য়ে যেতিয়া ঘটনাস্থলীৰ পৰা ঘৰলৈ আহিছিল তেতিয়া মনে-মনে ভাৱিছিল, কাজিয়া কৰা মোৰ কাম নহয় বৰং ধৈৰ্যৰ সৈতে গালি শুনিব লাগিব। কিন্তু খোদা তায়লা আৰচত, কৈ আছিল, হে মহম্মদ (ছাঃ) তই কাজিয়া কৰাৰ বাবে সাজু নহয়। কিন্তু মই বৰ্তমান নাই নে যে তোৰ হৈ তোৰ শত্ৰুৰ বিপক্ষে থিয় দিওঁ। সেয়ে খোদা তায়লা সেই দিনাই আবু জাহিলৰ সৈতে প্ৰতিদন্দ্বিতা কৰোঁতা এজন প্ৰতিনিধি তেখেত (ছাঃ) ৰ বাবে থিয় কৰি দিয়ে। হজৰত হামজা (ৰাঃ) য়ে সেই বৈঠকতে থিয় দি নিজৰ ঈমানৰ ঘোষণা কৰে আৰু আবু জাহিলক কয় যে তই মহম্মদ (ছাঃ) ক গালি পাৰিছে কেৱল এয়া কোৱাৰ বাবে যে **মই খোদা তায়লাৰ ৰছুল** আৰু ফিৰিস্তা মোৰ ওপৰত অৱতীৰ্ণ হয়। তই কাণ পাতি শুনি ল-মইও আজিৰ পৰা মহম্মদ (ছাঃ) ৰ দ্বীন গ্ৰহন কৰিলো আৰু মইও সেয়াই কাম যিবোৰ কথা মহম্মদ (ছাঃ) য়ে কৈছে। যদি তোৰ ক্ষমতা আছে তেন্তে আহি মোৰ সন্মুখত থিয় দে। এয়া ঘোষণা কৰি হজৰত হামজা (ৰাঃ) য়ে মুছলমান হৈ যায়। উল্লেখ আছে যে হজৰত হামজা (ৰাঃ) মুছলমান হৈ যোৱাৰ পিছত মক্কাত থকা মুছলমান সকলৰ ঈমানত দৃঢ়তা আৰু শক্তি বৃদ্ধি হয়। হজৰত হামজা (ৰাঃ) য়েও আন-আন মুছলমান সকলৰ সৈতে মদিনালৈ হিজৰত কৰিছিল।

মুছলমান সকলে মদিনালৈ গুচি যোৱাৰ পিছতো কাফিৰ সকলে হিংসা পৰিহাৰ কৰা নাছিল। সেয়ে মুছলমান সকলে বৰ সাৰধানেৰে থাকিব লগা হৈছিল। উল্লেখ আছে যে কুৰাইশ্ব সকলৰ এই দুৰ্ব্যৱহাৰ আৰু হিংসাৰ আৰু ষড়যন্ত্ৰৰ খবৰ লবলৈ নবী (ছাঃ) য়ে সৈন্য সামন্ত ৰখাৰ প্ৰয়োজন হৈ পৰিছিল। এই ক্ষেত্ৰত হজৰত হামজা (ৰাঃ) য়ে অসাধাৰণ খিদমত আগবঢ়ায়। দুই হিজৰিৰ ৰবিউল আউৱাল মাহত নবী (ছাঃ) য়ে হজৰত হামজা (ৰাঃ) ৰ নেতৃত্বত ত্ৰিছ উট আৰোহী মুহাজেৰিনৰ দল অঞ্চলৰ প্ৰান্তলৈ পঠাই দিয়ে। হজৰত হামজা (ৰাঃ) দলৰ সৈতে সোনকালে গৈ তাত উপস্থিত হৈ দেখিবলৈ পায় যে মক্কাৰ চৰদাৰ আবু জাহিল তিনি শ আৰোহীৰ এটা সৈন্য দল লৈ এওঁলোকৰ বাবে অপেক্ষা কৰি আছে। ইয়াত কাফিৰ সকলৰ সৈন্যৰ সংখ্যা মুছলমানতকৈ দহ ঘুন বেছি আছিল। দুয়ো পক্ষই যুদ্ধৰ বাবে মুখামুখী হৈ শাৰী পাতিবলৈ আৰম্ভ কৰিলে। যুদ্ধ আৰম্ভ হ'ব এনেতে সেই অঞ্চলৰ এজন জমিদাৰ মজদি বিন ওমৰুল জহনি আহি দুয়ো দলক কাজিয়া কৰাৰ পৰা বিৰত কৰে।

মদিনালৈ হিজৰত কৰি যোৱাৰ পিছত আন আন মুছলমানৰ দৰে হজৰত হামজা (ৰাঃ) ৰ আৰ্থিক অৱস্থা অতি দুৰ্বল হৈ পৰে। হজৰত আদুল্লাহ বিন ওমৰ বৰ্ণনা কৰিছে যে এদিন হজৰত হামজা (ৰাঃ) নবী কৰিম (ছাঃ) ৰ ওচৰত আবেদন জনায় যে কোনো এটা কাম কৰিবলৈ দিয়ক যাতে মই উপাৰ্জনৰ উপায় উলিয়াব পাৰো। তেতিয়া নবী কৰিম (ছাঃ) য়ে কৈছিল হে হামজা নিজৰ মান-সন্মান, পৱিত্ৰতা অক্ষুন্ন আৰু জীয়াই ৰখা পছন্দ কৰা নে, মাৰি পেলোৱা পছন্দ কৰা ? হজৰত হামজা (ৰাঃ) উত্তৰত কয় যে মই জীয়াই ৰখাটো পছন্দ কৰো। তেখেত (ছাঃ) য়ে কৈছিল তেনেহলে নিজৰ সন্মান আৰু প্ৰবৃত্তিক হিফাজত কৰাগৈ। লগতে তেখেতক নবী কৰিম (ছাঃ) য়ে দোৱা কৰিবলৈ উপদেশ দিয়ে আৰু কিছুমানক বিশেষ দোৱা শিকাই দিয়ে। হজৰত হামজা (ৰাঃ) য়ে কৈছে যে আঁহজৰত (ছাঃ) য়ে এই দোৱা اللهم انی اسئلک باسمک الاعظم ورضوانک الاکبر সদায় ধৰি থাকিবলৈ কৈছিল। ইয়াৰ অৰ্থ হ’ল হে আল্লাহ, মই তোমাক তোমাৰ মহান নাম আৰু ৰেজুয়ানুল আকবৰৰ দোহাই দি আবেদন কৰো। পিছত তেখেত ইয়াৰ সুফল ভোগ কৰিবলৈ পাইছিল।

দ্বিতীয় হিজৰিত বদৰৰ যুদ্ধ সংগঠিত হয়। বদৰৰ যুদ্ধৰ সময়ত কাফিৰ সকলৰ ফালে আছুদ বিন আব্দুল আছদ মখজুমি যোগ দিয়ে। তেওঁ বৰ দুষ্ট প্ৰকৃতিৰ ¯ডাঙৰ লোক আছিল। তেওঁ শপত লৈছিল যে মই নিশ্চয় ৰছুলে কৰিম (ছাঃ) ৰ পৱিত্ৰ নদিত পানী পান কৰিম আৰু তেখেত (ছাঃ) ক বেয়াত পৰিণত কৰিম নতুবা তেখেতৰ ওচৰতে মৰি যাম। তেওঁ এই ষড়যন্ত্ৰ মনত লৈ হজৰত হামজা (ৰাঃ) ৰ প্ৰতিদন্দ্বিতা কৰিবলৈ আহে। যেতিয়া দুয়োজনে মূখামূখী হয় তেতিয়া হজৰত হামজা তৰোৱালেৰে আঘাত হানি তাৰ ভৰিৰ গোৰোহাৰ ওপৰত আধাখিনি ভৰি কাটি দিয়ে। তেওঁ সেই পানীৰ হাউজৰ ওচৰতে আছিল আৰু চুচৰি গৈ নিজৰ শপত পূৰ্ণ কৰিবলৈ চেষ্টা কৰোতেই হজৰত হামজা (ৰাঃ) য়ে তাক তৰোৱালেৰে কাটি হত্যা কৰে।

হজৰত আলী (ৰাঃ) য়ে বদৰৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰিছে যে এই যুদ্ধত কাফিৰ সকলৰ সংখ্যা মুছলমানতকৈ বহুত বেছি আছিল। সেই দিনা ৰাতি ৰছুলে কৰিম (ছাঃ) য়ে কৰুণ হৃদয়েৰে আকুতি ভৰা দোৱাত ব্যাস্ত আছিল হজৰত আলী (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে উতবা বিন ৰবিয়া আৰু তাৰ পুতেক ভাই সকলেও যুদ্ধলৈ ওলাই আহে আৰু উচ্চস্বৰে কয় যে কোনে আমাৰ লগত যুদ্ধ কৰিবলৈ আহিব। উতবা কয় যে আমি কেৱল খুৰাৰ ল’ৰা সকলৰ লগত যুদ্ধ কৰাৰ সিদ্ধান্ত লৈছো। তেতিয়া নবী কৰিম (ছাঃ) য়ে কয় যে হে হামজা, হে আলী, হে উবেদা বিন হাৰিছ আগবাঢ়ি যোৱা। হামজা (ৰাঃ) উতবাৰ ফালে আগবাঢ়ি যোৱাত হজৰত আলী (ৰাঃ)ক কয় যে মই শ্বোয়েবৰ ফালে গৈ আছো আন ফালে উবেদা আৰু অলিদৰ মাজত অস্ত্ৰাঘাত আৰম্ভ হৈ গৈছে। হজৰত আলী (ৰাঃ) আৰু হজৰত হামজা (ৰাঃ) য়ে নিজৰ নিজৰ বিৰুধী যুদ্ধাক মাৰি পেলাইছিল। হজৰত হামজা (ৰাঃ) ৰ যুদ্ধ পাৰ্দৰ্শিতাৰ অৱস্থা এনে আছিল যে বদৰৰ যুদ্ধত কাফিৰ সকলৰ মাজত আতংক বিস্তাৰ কৰিবলৈ (স্বতৰ মূৰ্গ) উট চৰাইৰ ডেউকা যুদ্ধৰ নিচান স্বৰূপ লগাই দিছিল। হজৰত আব্দুল ৰহমান বিন অউফ বৰ্ণনা কৰিছে যে উমিয়া বিন খালফ কুৰাইছ সকলৰ চৰদাৰ আছিল। মক্কাত হজৰত বিলাল (ৰাঃ) ক বৰ কষ্ট দিছিল। এওঁ বদৰৰ যুদ্ধত আনছাৰ সকলৰ হাতত নিহত হৈছিল। তেওঁ মোক সুধিছিল (মৃত্যুৰ আগত) যে বুকুত উট চৰাইৰ ডেউকা লগাই লোৱা সৌ ব্যাক্তিজন কোন ? মই উত্তৰ দিছিলো সেই ব্যক্তি জন হ’ল হামজা বিন আব্দুল মোতালিব। তেতিয়া উমিয়া কৈছিল যে এই জনেই আজি আমাৰ আটাইতকৈ বেছি ক্ষতি সাধন কৰিছে। ইংৰাজ লেখক ছাৰ উইলিয়াম মেয়ৰে বদৰৰ যুদ্ধৰ সেনা হামজাৰ বিষয়ে লিখিছে যে হামজা (ৰাঃ) উট চৰাইৰ ডেউকা বুকুত লগাই ফুৰা যুদ্ধ ক্ষেত্ৰৰ সকলো ঠাইতে দেখা গৈছিল। যুদ্ধত তেখেতে কেইবাজন কাফিৰ চৰদাৰক নিহত কৰিছিল। উহুদৰ যুদ্ধত হজৰত হামজা (ৰাঃ) য়ে বৰ বীৰত্বৰ পৰিচয় দিছিল। বুখাৰী চৰিফত হজৰত হামজা (ৰাঃ) ৰ বীৰত্ব সম্পৰ্কে উল্লেখ আছে যে অমিৰ বিন ইছহাকৰ দ্বাৰা বৰ্ণিত আছে যে উহুদৰ যুদ্ধৰ দিনা হজৰত হামজা (ৰাঃ) হজৰত ৰছুলে কৰিম (ছাঃ) ৰ আগে আগে তৰোৱালেৰে যুদ্ধ কৰি গৈছিল আৰু কৈছিল যে মই আছাদুল্লাহ কেতিয়াবা আগলৈ কেতিয়াবা পিছলৈ গৈছিল এনেতে হঠাতে অকলে অকলেই পিছলি পৰিছিল। তেনে অৱস্থাত তেখেতক অহুশী আছুদ নামৰ ব্যক্তিজনে দেখিছিল। আবু উছামা কৈছে যে অহুশী আছুদ তেখেতক পৰি যোৱা অৱস্থাত বল্লমেৰে হানি হত্যা কৰে। হজৰত হামজা (ৰাঃ) হিজৰতৰ ত্ৰিছ মাহ পিছত উহুদৰ যুদ্ধত শ্বহীদ হৈ যায়। তেতিয়া তেখেত (ৰাঃ) ৰ বয়স হৈছিল ৬৮ বছৰ। ইবনে হিশ্বামৰ জীৱনীত আছে যে ৰছুলে কৰিম (ছাঃ) য়ে হামজা (ৰাঃ) ৰ লাচৰ ওচৰত থিয়

হৈ কৈছিল যে হে হামজা তোমাৰ এই বিপদৰ দৰে কোনো বিপদ মোৰ কেতিয়াও নহয়। মই ইয়াতকৈ বেছি কষ্টদায়ক দুৰ্ঘটনা আজি লৈকে দেখা নাই। আকৌ কৈছিল জীব্ৰাইল আহি মোক খবৰ দিছে যে হজৰত হামজা (ৰাঃ) ক সাত নং আচমানত আল্লাহ আৰু তাৰ ৰছুলৰ বাঘ বুলি লিখা হৈছে।

হজৰত জাবিৰ (ৰাঃ) ৰ দ্বাৰা বৰ্ণিত আছে যে উহুদৰ যুদ্ধৰ দিনা যুদ্ধৰ শেষত মোৰ মাতৃ হজৰত চফিয়া বৰ বেগেৰে যুদ্ধ ময়দানলৈ আহি থকা দেখা গৈছিল। নবী (ছাঃ) য়ে এয়া ভাল পোৱা নাছিল যে কোনো মহিলা তালৈ আহি শ্বহীদ সকলক চায়। সেয়ে তেখেত (ছাঃ) য়ে উক্ত মহিলা জনীক তালৈ অহাত বাধা দিবলৈ কৈছিল। সেয়ে মই দৌৰি গৈ তাইক বাধা দিয়াত তাই মোক বুকুত ঠেলা মাৰি পিছুৱাই দিয়ে আৰু কয় যে দুৰলৈ যোৱা, মই তোমাৰ কোনো কথা নুশুনো। মই তাইক জনালো যে নবী কৰিম (ছাঃ) য়ে আপোনাক তালৈ যোৱাত বাধা দিবলৈ কৈছে। আপুনি শ্বহীদ সকলৰ লাশ্ব নেদেখিব। এই কথাখিনি শুনা মাত্ৰেই তাই থমকি ৰল আৰু তাই লৈ অনা দুটা কাপোৰ উলিয়াই দি কয় যে এই দুখন কাপোৰ মই মোৰ ভাই হামজাৰ কাৰণে লৈ আনিছো কাৰণ মই খবৰ পাইছো যে তেখেত শ্বহীদ হৈ গৈছে। এয়াই আছিল সেই যুগৰ আনুগত্যৰ উদাহৰণ। অৰ্থাৎ আঁহজৰত (ছাঃ) ৰ নিৰ্দেশ শুনা মাত্ৰেই হৃদয়ত দঃুখ যন্ত্ৰনা থকা সত্বেও অনতি পলমেই নিজকে নিজে কণ্ট্ৰোল কৰি লৈছিল। এয়াই আছিল পৰিপূৰ্ণ আনুগত্য।

হজৰত হামজা (ৰাঃ) ক এখন কাপোৰৰ কফন দিয়া হৈছিল। যেতিয়া তেখেতৰ মূৰ সেই কাপোৰেৰে ঢাকিবলৈ চেষ্টা কৰা হৈছিল ভৰি ওলাই গৈছিল আকৌ যেতিয়া সেই কফনৰ কাপোৰ ভৰিৰ পিনে টানি ঢাকি দিবলৈ চেষ্টা কৰিবলৈ লৈছিল মুখমণ্ডল ওলাই গৈছিল। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল যে তেখেতৰ মুখমণ্ডল খিনি ঢাকি দিয়া যাওক আৰু ভৰি দুখন ঘাঁহ বনেৰে ঢাকি দিয়া। আঁহজৰত (ছাঃ) য়ে সেই দিনা হজৰত হামজা (ৰাঃ) ৰ নামাজ জানাজা আন আন শ্বহীদ সকলৰ সৈতে ৭০ বাৰ পঢ়াইছিল। কাৰণ প্ৰত্যেক বাৰেই হজৰত হামজা (ৰাঃ) ৰ লাশ্ব তাতে পৰি আছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এই লোক সকল আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জনকাৰী লোক আছিল। এওঁলোকে আল্লাহ তায়লাৰ ওপৰত সন্তুষ্ট থাকি অতি দঃুখ-কষ্টৰ মাজতো নিজৰ ভাই সকলক সদায় মনত ৰাখিছিল। লগতে নিজৰ পাৰ হৈ যোৱা পৰিস্থিতি সদায় সন্মুখত ৰাখিছিল। আল্লাহ তায়লা তেখেত সকলৰ মৰ্যদা উন্নীত কৰক।

কাআব বিন মালিক হজৰত হামজা (ৰাঃ) শ্বহীদ হোৱাত নিজৰ ফালৰ পৰা কৈছে যে মোৰ চকু চকুলুৰে ভৰি পৰিছিল। হামজা (ৰাঃ) ৰ মৃত্যুত তেওঁৰ কন্দাৰ কাৰণও আছিল। কিন্তু খোদা তায়লাৰ বাঘৰ মৃত্যুত কান্দিলে কি লাভ হ'ব। খোদা তায়লাৰ বাঘ হামজা (ৰাঃ) যিদিনা শ্বহীদ হৈছিল জগতে কৈছিল যে এয়া অদম্য পুৰুষে শ্বাহাদত বৰণ কৰিছে। আল্লাহ তায়লা সেই সকলো চাহাবাৰ মৰ্যদা উন্নীত কৰক। তেখেত সকলৰ কোৰবানী জগত থাকে মানে মুছলমান সকলে স্মৰণ কৰক। তেখেত সকলৰ সুন্দৰ জীৱণাৰ্দশৰ ওপৰত আমাক আমল কৰাৰ তৌফিক দান কৰক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 04 May 2018**

## BOOK POST (PRINTED MATTER)

**To**

-----------------------------------------------------------------------------------

-----------------------------------------------------------------------------------

-----------------------------------------------------------------------------------

-----------------------------------------------------------------------------------

**From: Office of the Ahmadiyya Muslim Jama'at, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**